
# উত্তৰণ

*A Journey of Jhanji HNS College.....*



সম্পাদিকা ঃ ঋতুপৰ্ণা দত্ত

# সম্পাদকীয়



*মহা মহা পুৰুষৰ চানেকিৰে জীৱনৰ*
*আমিও কৰিব পাৰো জীৱন গঢ়িত,*
*অভিনয় শেষ হ'লে, আয়ুবেলি মাৰ গ'লে*
*থৈ যাব পাৰো খোজ সময়ৰ বালিত।*

তেওঁলোক সঁচাকৈয়ে অমৰ। অমৰ তেওঁলোকৰ চিন্তাৰে, অমৰ তেওঁলোকৰ কৰ্মৰে। আমাৰ পৃথিৱীত জন্ম গ্ৰহণ কৰা মহান ব্যক্তিসকলে আমাৰ বাবে যি সুচিন্তিত বাট মুকলি কৰি থৈ গৈছে, তেওঁলোকক অনুকৰণ কৰি আমি সেই বাটেৰে আগবাঢ়ি গৈ আমাৰ লক্ষ্যসমূহ সুনিশ্চিত কৰিবলৈ চেষ্টা চলাব লাগে। পৃথিৱীৰ মহান ব্যক্তিসকলে আমাৰ বাবে আগবঢ়াই থৈ যোৱা অৱদান উল্লেখনীয়। তেখেতসকলৰ মহানতাৰ বাবেই আজিৰ পৃথিৱীখন ইমান দূৰ আগবাঢ়ি যাব পাৰিছে। বিশ্বৰ মহান ব্যক্তিসকল বুলি ক'লে আমি আদাম স্মিথ, ইমাইল দুৰখেইম, শ্বেক্সপীয়েৰ আদিৰ নাম ল'ব পাৰো। তেওঁলোকৰ উদ্যম সাহস, একাগ্ৰতা, কষ্ট, বিশ্বাস আদি দিশসমূহৰ আদৰ্শ লৈ জীৱনৰ লক্ষ্যৰ বাটত যদি খোজ পেলাওঁ, তেনেহ'লে আমি নিশ্চয়কৈ সফলতাৰ মুখ দেখিবলৈ সক্ষম হ'ম। আমাৰ মহাবিদ্যালয়ৰ কেইজনমান ছাত্ৰ-ছাত্ৰীৰ লিখনিৰে বিশ্ববিখ্যাত কেইগৰাকীমান মহান ব্যক্তিৰ জীৱন গাঁথা এই সংকলনটিত সন্নিৱিষ্ট কৰা হৈছে। ইয়াৰ লগতে আন কেতবোৰ নিৰ্বাচিত বিষয়ৰ প্ৰবন্ধও ইয়াত সন্নিৱিষ্ট কৰা হৈছে।

আনুষ্ঠানিক শিক্ষা হৈছে মানুহৰ জীৱনৰ বাটকটীয়া স্বৰূপ। শিক্ষাই মানুহক জন্তুৰ পৰা পৃথক কৰিছে। শিক্ষাইহে কেৱল মানুহৰ জীৱনটো সুচাৰুৰূপে চলাত সহায় কৰিব পাৰে। গতিকে শিক্ষা হৈছে ব্যক্তিৰ অংগস্বৰূপ, যাৰ অবিহনে এই পৃথিৱীত এখোজো আগবঢ়াব নোৱাৰি। যিদৰে শিক্ষাই মানুহৰ জীৱনটো সহজ কৰি তোলে, ঠিক তেনেদৰে বিভিন্ন সংস্থা, গোট, চৰকাৰে আগবঢ়োৱা জলপানিয়ে মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা আহৰণত বৃত্তিগতভাৱে সহায় কৰাৰ লগতে উচ্চ শিক্ষা আহৰণ কৰিবলৈ উৎসাহ যোগাইছে। ইয়াৰ ভিতৰত বিশ্ববিদ্যালয় অনুদান আয়োগ (UGC), অসম চৰকাৰৰ সংৰক্ষিত শ্ৰেণীৰ মেধা বৃত্তি, বিভিন্ন উন্নয়ন পৰিষদৰ বৃত্তি আদি উল্লেখযোগ্য। যিসকল মেধাবী ছাত্ৰ

ছাত্ৰীয়ে তেওঁলোকৰ আৰ্থিক দুৰ্বলতাৰ বাবে শিক্ষা সম্পূৰ্ণ কৰিব পৰা নাই তেওঁলোকক এই ফেল'শ্বিপ আৰু স্ক'লাৰশ্বিপসমূহে যথেষ্ট সহায় কৰিছে।

আমি হঠাৎ 'ঈশান উদয়' পোৱা ছাত্ৰ-ছাত্ৰীসকলে সমজুৱাভাৱে আলোচনা কৰি এটা সিদ্ধান্ত ল'লো যে আমি স্ক'লাৰশ্বিপ পোৱা ছাত্ৰ-ছাত্ৰীসকলে আমি পোৱা পুঁজিৰে এটা ভাল কাম যদি কৰি থৈ যাব পাৰো, তেন্তে ই সকলোৰে বাবে এক আনন্দৰ বিষয় হৈ পৰিব। সেয়ে আমি 'উত্তৰণ' নামৰ সংকলনটি প্ৰকাশ কৰাৰ কথা ভাবিলো। এই বিষয়ে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ক জনোৱাত তেখেতে একাষাৰেই সন্মতি দিলে। সেয়েহে অধ্যক্ষ মহোদয়ৰ অনুমতি মৰ্মে আমি তৃতীয় আৰু পঞ্চম ষান্মাসিকৰ 'ঈশান উদয়' জলপানি প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰবন্ধেৰে এই সংকলনটি প্ৰস্তুত কৰি উলিয়াবলৈ সমৰ্থ হ'লো। ঈশান উদয় জলপানিপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰী যিসকলে তেওঁলোকৰ লেখনিসমূহ প্ৰকাশ কৰি উলিয়াবলৈ দিলে তেওঁলোকক কৃতজ্ঞতা জনাইছো। আশাকৰো এই সংকলনটিৰ জৰিয়তে আমাৰ পিছৰ চাম ছাত্ৰ-ছাত্ৰী উৎসাহিত হ'ব। সংকলনটি প্ৰকাশৰ বেলিকা আদিৰ পৰা অন্তলৈকে দিহা-পৰামৰ্শ দি সহায় কৰা আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় আৰু উপাধ্যক্ষ মহোদয়ক অশেষ কৃতজ্ঞতা জনোৱাৰ লগতে মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলকো কৃতজ্ঞতা জ্ঞাপন কৰিছো। মোৰ বান্ধৱী মাইনু, সংগীতা, স্নিগ্ধা, মুনমী, প্ৰিন্সি, মৃদুস্মিতা, দিপিকা, মূৰ্চ্ছনা, দিপশিখা, অভিলাষী আৰু বন্ধু পাৰ্থসাৰথি, বৰ্ষণ, পংকজ, ডিংকু, আলোক, উত্তম আদি সকলোলৈকে মোৰ কৃতজ্ঞতা থাকিল। 'উত্তৰণ' সংকলনটি সজাই তুলি আমাক কৃতাৰ্থ কৰা শিৱসাগৰ বিনায়ক অফচেট প্ৰেছৰ স্বত্বাধিকাৰী শ্ৰী বিক্ৰম ভট্টাচাৰ্যৰ লগতে কৰ্মকৰ্তা পংকজদা, পলাশদা আৰু মনোজদালৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

শেষত গ্ৰন্থখনিত অনিচ্ছাকৃতভাৱে থাকি যোৱা ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা প্ৰাৰ্থী হৈ ৰ'লো।

ধন্যবাদেৰে —

**ঋতুপৰ্ণা দত্ত**
সম্পাদিকা

## —ঃঃ অনুক্ৰমণিকা ঃঃ—


- ছাত্ৰ–ছাত্ৰীসকলৰ দায়িত্ব আৰু কৰ্তব্য ✍ ড° মানজিৎ গগৈ/৭
- ধৰ্ম, আধ্যাত্মিকতা, নৈতিকতা ইত্যাদি .... ✍ ড° বিৰিঞ্চি কুমাৰ বৰা/১১
- বৰেণ্য শিক্ষাবিদ .... ✍ দীপশিখা নাথ/১৮
- মহান শিক্ষাতত্ত্ববিদ... ✍ মূৰ্চ্ছনা সন্দিকৈ/২৯
- বৰেণ্য অৰ্থনীতিবিদ .... ✍ ঋতুপৰ্ণা দত্ত/৩৬
- তিনিগৰাকী মহান সমাজতত্ত্ববিদ.... ✍ মুনমী দত্ত/৪৩
- তিনিগৰাকী মহান সমাজতত্ত্ববিদ ........ ✍ প্ৰিন্সি ফুকন/৫০
- বৰেণ্য ভাৰতীয় .......... ✍ দীপিকা গগৈ/৫৮
- তিনিজন মহান শিক্ষাতত্ত্ববিদ.......... ✍ পংকজ লোচন নাথ/৬৯
- তিনিজন মহান অৰ্থনীতিবিদ ............ ✍ উত্তম ভূঞা/৮৩
- তিনিগৰাকী বিশিষ্ট সাহিত্যিক ............. ✍ অভিলাষী গগৈ/৮৯
- বৰেণ্য বিজ্ঞানী ............. ✍ মৃদুস্মিতা চুতীয়া/৯৬
- তিনিজন ভূগোলবিদ............ ✍ পল্লৱী বৰুৱা/১০২
- বৰেণ্য ৰাজনীতিবিদ........... ✍ কৰিষ্মা দেৱী/১০৬
- তিনিগৰাকী অৰ্থনীতিবিদ................ ✍ মাইনু গগৈ/১১৬
- তিনিজন অৰ্থনীতিবিদ.............. ✍ বৰ্ষণ আচাৰ্য্য/১২১
- অসমীয়া সাহিত্যৰ তিনি কালৰ তিনি শ্ৰেষ্ঠ সাহিত্যিক...... ✍ মণিকা গগৈ/১২৪
- জ্যাঁ জ্যোক ৰুছো, জে. এচ. মিল আৰু জন লক...... ✍ পঙ্কজ কুমাৰ নাথ/১৩৩
- মহাকবি কালিদাস, ভাৰৱি আৰু ভৱভূতি জীৱনৰ বিষয়ে......... ✍ ধ্ৰুৱজ্যোতি বৰা/১৪০
- বিশ্ববিখ্যাত তিনিজন অৰ্থনীতিবিদ.............. ✍ সংগীতা নেওগ/১৪৭
- বৰেণ্য বিজ্ঞানী................. ✍ ডিংকু মণি গগৈ/১৫৭
- **A Breif Description of Three Great Indian Writers Of English Literature..........** ✍ Partha Sarathi Boruah/১৬১
- **Three Great Writers of the English Literature.....** ✍ Snigdha Rani Neog/১৬৭

➢ **ABOUT ALEXANDER POPE, JANE AUSTIN AND WILLIAM WORDSWORTH** ✍ Darshana Bhuyan/১৭৫

➢ **Three Great Writers .............** ✍ Simi Das/১৮২

➢ **Three Great Writers of English Literature...........** ✍ Aluk Saikia/১৯৩

➢ **The Impact of Movies in Youth in the Modern age** ✍ Mumpy Gogoi/২০০

➢ **যুৱ উশৃংখলতা ৰোধত নাৰীৰ ভূমিকা** ✍ সংগীতা নাথ/২০৪

➢ **যুৱ উশৃংখলতা আৰু ছাত্ৰী** ✍ শ্বাহনাজ বেগম/২০৮

➢ **সাম্প্ৰতিক কালৰ যুৱ উচ্ছৃংখলতা আৰু অভিভাৱকৰ ভূমিকা** ✍ ঋতুপৰ্ণা দুৱৰা/২১৬

➢ **পৰিৱৰ্তনৰ সোঁতত যুৱ মানসিকতা** ✍ বিথিকা বৰগোহাঁই/২১৯

➢ **সাম্প্ৰতিক যুগত যুৱ সমাজৰ ওপৰত ইণ্টাৰনেটৰ প্ৰভাৱ** ✍ অংকিতা বড়া/২২৫

➢ **যুৱ উচ্ছৃংখলতা আৰু অভিভাৱকৰ দায়িত্ব** ✍ দীপশিখা বৰুৱা/২২৮

➢ **যুৱ সমাজ, ৰাজনীতি আৰু উচ্ছৃংখলতা** ✍ নীহাৰিকা দেৱী/২৩৩

➢ **পৰিৱৰ্তনৰ সোঁতত যুৱ মানসিকতা আৰু ইলেক্ট্ৰনিক মিডিয়াৰ প্ৰভাৱ** ✍ ডিম্পী গগৈ/২৩৭

➢ **ছাত্ৰৰ উচ্ছৃংখলতা নিয়ন্ত্ৰণত নৈতিক শিক্ষাৰ ভূমিকা** ✍ সৰস্বতী বৰুৱা/২৪২